

## শাকনী বাৰীৰ উদ্দেশ্য ঃ

- দৈনিক প্ৰয়োজনীয় ভাৰসাম্য আহাৰ যোগান ধৰা। (য'ত ৮৫ গ্ৰাম ফল, ৭৫-১২৫ গ্ৰাম সেউজীয়া শাক, ৭৫ গ্ৰাম মূল আৰু কাণ্ড আৰু ১০০ গ্ৰাম অন্যান্য পাচলি।)
- বিভিন্ন ধৰণৰ সেউজীয়া সজীৰ পাচলি উৎপাদন কৰা।
- পৰিয়ালৰ সকলো সদস্যৰ শ্ৰম প্ৰয়োগ কৰা।
- বিশ্ৰাম বা জিৰণিৰ সময়ত মনত শান্তি, উদ্দীপনা বৃদ্ধি কৰা।





## শাকনী বাৰীৰ আদৰ্শ বা নীতি সমূহ ঃ

- পানীৰ পৰ্যাপ্ত সুবিধা থকা, সূৰ্য্যৰ পোহৰ পৰা লগতে নলী-নাদৰ সুবিধা কৰিব পৰা ঘৰৰ পিচফালে নিৰ্বাচন কৰিব লাগে।
- শাকনী বাৰীৰ আকৃতি আকাৰ ঘৰৰ পিচফালে থকা মাটিৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। মাটি টুকুৰা আয়তাকৃতিৰ হ'লে সুবিধা হয়।
- শস্যৰ নিৰ্বাচন পৰিয়ালৰ সদস্যৰ ওপৰত নিৰ্ভৰ কৰে, লগতে বাৰী ডৰাৰ আকাৰ পৰিয়ালৰ সদস্যৰ সময় আৰু খাটনিৰ ওপৰত নিৰ্ভৰ কৰে।
- ২০০ বৰ্গ. মিঃ এলেকা এটি পাচ জনীয়া পৰিয়ালৰ বাবে যথেষ্ট য'ত প্ৰতিদিনে ১.৫ কেজি শাক-পাচলি উৎপাদন কৰিব পৰা যায়।
- তৎক্ষণাত বৃদ্ধি পোৱা উদ্ভিদ যেনে- কল, অমিতা, নেমু আদি শাকনী বাৰীত দক্ষিণ ফালৰ সীমাত ৰুব লাগে লগতে লতা জাতীয় পাচলি সমূহ যেনে তিয়হ, বাঙী, উৰহী সীমাৰ বেৰত বগোৱাকৈ ৰুব লাগে।
- বিভিন্ন বতৰত বিভিন্ন ধৰণৰ পাচলি যাতে কম দিনৰ ভিতৰত দৈনন্দিন উৎপাদন হয় তাত গুৰুত্ব দিব লাগে।
- মূল বৃদ্ধি পোৱা পাচলি যেনে- মূলা, গাজৰ আদিৰ ঢাপ বনাই ৰুব লাগে।
- সোনকালে পুৰঠ হোৱা আৰু দেৰিকৈ পুৰঠ হোৱা পাচলি একেলগে ৰুব লাগে।
- সোনকালে উৎপাদন হোৱা শাক সমূহৰ যেনে- বিট, পালেং, চালগোম, ওলকবি আদিৰ মাজত দীঘলীয়া উৎপাদন হোৱা পাচলি যেনে বেঙেনা, বিলাহী, জলকীয়া আদি ৰুব পাৰি।
- ঠাইখিনিৰ দুটা কোণত দুটা গাত বনায় তাত বিভিন্ন অলাগতিয়াল বস্তু বিলাক গাত বিলাকত পচন সাৰ তৈয়াৰ কৰিব পাৰি।



## শাকনী বাৰীত ৰুব লগা বিভিন্ন শাক-পাচলিৰ বিবৰণ ঃ

- মূলা চালগোম বিট (অক্টোবৰ-ডিচেম্বৰ), ওলকবি (জানুৱাৰী-মাৰ্চ), কেৰেলা (এপ্ৰিল-জুলাই), ভেন্দী (মাৰ্চ-জুন), আগতীয়া ফুলকবি (জুলাই-অক্টোবৰ)।
- বন্ধাকবি (নবেম্বৰ-ফেব্ৰুৱাৰী), লাই-পালেং (আগষ্ট-চেপ্তেম্বৰ)।
- বিলাহী (চেপ্তেম্বৰ-ডিচেম্বৰ), নুমলীয়া-ফুলকবি (ডিচেম্বৰ-মাৰ্চ), ভেন্দী (এপ্ৰিল-জুলাই)।
- মধ্যমীয়া ফুলকবি (অক্টোবৰ-জানুৱাৰী), অমৰনাথ (ফেব্ৰুৱাৰী-মে') ভেন্দী (জুন-চেপ্তেম্বৰ)।
- ওলকবি (চেপ্তেম্বৰ-নবেম্বৰ), পালেং শাক, ফ্ৰেন্সবীন (ডিচেম্বৰ-এপ্ৰিল), কেৰেলা (মে'-আগষ্ট)
- আলু (অক্টোবৰ-জানুৱাৰী), তিয়হ (ফেব্ৰুৱাৰী-জুন), জিকা (জুলাই-অক্টোবৰ)।
- বেঙেনা (চেপ্তেম্বৰ-জানুৱাৰী), ধুন্দুলি (ফেব্ৰুৱাৰী-মে') লেছেৰা মাহ (জুন-আগষ্ট)।
- পিয়াজ (অক্টোবৰ-ফেব্ৰুৱাৰ), লেছেৰা মাহ (মাৰ্চ-আগষ্ট), তিয়হ (জুন-চেপ্তেম্বৰ)
- ফ্ৰেন্সবীন (ফেব্ৰুৱাৰী-এপ্ৰিল), লেছেৰা মাহ (মে-চেপ্তেম্বৰ)।
- গাজৰ (অক্টোবৰ-ফেব্ৰুৱাৰী), কেপচিকাম (ফেব্ৰুৱাৰ-জুন), বেঙেনা (জুলাই-অক্টোবৰ)।
- বিলাহী (অক্টোবৰ-জানুৱাৰী), কেৰেলা (ফেব্ৰুৱাৰী-মে), তিয়হ (জুন-চেপ্তেম্বৰ)।

## শস্যৰ পৰিবৰ্তন নিগাজী পাচলিৰ বাবে ঃ

- কেৰেলা (ডিচেম্বৰ-মাৰ্চ), তিয়হ (এপ্ৰিল-জুন), ভোল (জুলাই-নবেম্বৰ)।
- ৰঙালাউ (চেপ্তেম্বৰ-ফেব্ৰুৱাৰী), জিকা (মাৰ্চ-জুন)
- তিয়হ (ডিচেম্বৰ-মাৰ্চ), কেৰেলা (এপ্ৰিল-জুলাই), উৰহী (আগষ্ট-ডিচেম্বৰ)।
- লেছেৰা মাহ (জানুৱাৰী-মাৰ্চ), চালকোমোৰা (এপ্ৰিল-জুলাই), উৰহী (আগষ্ট-ডিচেম্বৰ)।



উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২

# শাকনী বাৰীৰ বিবৰণ

